# অসম বিধান সভা
# ২০২৬ চনৰ ০৮ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ১৩৯

**বিষয়ঃ বৰলীয়া নদীৰ বাওঁফালৰ মথাউৰি নিৰ্মাণ**

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**
**- প্ৰশ্ন -**

ক) বৰলীয়া নদীৰ বাওঁফালৰ মথাউৰিটোৱে মূলত হাজো সমষ্টিৰ এক বিশাল অঞ্চল বিশেষকৈ বিনপুৰ, বাঁহবৰী, ভৈৰাটোলা, কেতেকীবাৰী আদিকে ধৰি কেইবাখনো গাঁৱক নদীৰ বাঢ়নী পানীৰ পৰা সুৰক্ষা দি আহিছে। কিন্তু মথাউৰিটোৰ বহু অংশ মথাউৰি ও পথ হিচাপে নিৰ্মাণ কৰা হোৱা নাই। এই বিষয়ে চৰকাৰ জ্ঞাতনে?

খ) মথাউৰিটোৰ কোন কোন অংশ মথাউৰি ও পথ (Embankment-cum-Road) হিচাপে নিৰ্মাণৰ বাবে বাকী আছে? (সদনত জনাব)

গ) মথাউৰিটোৰ এই বৈ যোৱা অংশখিনি মথাউৰি ও পথ (Embankment-cum-Road) হিচাপে নিৰ্মাণৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

ঘ) যদি কৰিছে, কেতিয়ালৈকে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈ উঠিব? সদনত জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**
**– উত্তৰ –**

ক) এই বিষয়ে জলসম্পদ বিভাগ জ্ঞাত।

খ) বৰলীয়া নদীৰ বাওঁপাৰৰ মুঠ ৩.৫০ কিঃ মিঃ দৈৰ্ঘ্যৰ মথাউৰিৰ বৰ্ত্তমানলৈ কোনো অংশ মথাউৰি ও পথ হিচাপে নিৰ্মাণ কৰা হোৱা নাই।

গ) মথাউৰিটো বৰ্ত্তমানলৈ মথাউৰি ও পথ (Embankment-cum-Road) হিচাপে নিৰ্মাণৰ কাম হাতত লোৱা নাই।

ঘ) পৰৱৰ্ত্তী পৰ্যায়ত মথাউৰিটো পকীকৰণৰ বাবে প্ৰয়োজন অনুসৰি লোক নিৰ্মান(পথ) বিভাগক হস্তান্তৰ কৰা হ'ব।

( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত আপলোড কৰা হৈছে )

*********************************